**অসম বিধান সভা**

**তৰাবিহীন প্ৰশ্ন নং - ৪০৩**

**উত্তৰ দিয়াৰ তাৰিখ-২২-০৭-২০২৬**

**বিষয় : গোচৰ নিষ্পত্তি সম্পৰ্কে** **শ্ৰীজাকিৰ হুছেইন সিকদাৰ : বিধায়ক**

মাননীয় ন্যায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত বৰ্তমান বিচাৰকৰ অনুমোদিত পদ, কৰ্মৰত পদ আৰু খালী পদ কিমান ? জিলাভিত্তিক তথ্য দিব। খালী পদসমূহ কেতিয়া পূৰণ কৰিব ?

(খ) অসমত বৰ্তমান মুঠ কিমানটা গোচৰ বিচাৰাধীন আছে ? দেৱানী আৰু ফৌজদাৰী গোচৰৰ পৃথক তথ্য দিব।

(গ) বিগত পাঁচ বছৰত কিমানটা গোচৰ নিষ্পত্তি কৰা হৈছে ? বছৰ ভিত্তিক পৃথকে পৃথকে তথ্য দিব।

(ঘ) অসমত কিমানজন ব্যক্তিয়ে বিনামূলীয়া আইনী সহায় লাভ কৰিছে ? বিগত পাঁচ বছৰৰ জিলাভিত্তিক তথ্য দিব।

(ঙ) ৰাজ্যখনত কিমানটা Fast Track Court, Special Court আৰু Commercial Court কাৰ্য্যৰত হৈ আছে ?

(চ) মহিলা আৰু শিশু নিৰ্যাতনৰ গোচৰ দ্ৰুত নিষ্পত্তিৰ বাবে চৰকাৰে কি বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে ? বিতংভাৱে জনাব ।

(ছ) E-Court ব্যৱস্থা অসমৰ কিমান শতাংশ আদালতত সম্পূৰ্ণৰূপে কাৰ্য্যকৰী হৈছে ?

(জ) অসমত লোক আদালতৰ (Lok Adalat) জৰিয়তে বিগত পাঁচ বছৰত কিমানটা গোচৰ নিষ্পত্তি কৰা হৈছে ? বছৰ হিচাপে পৃথকে পৃথকে তথ্য দিব।

(ঝ) অসমত আণ্ডাৰট্ৰায়েল (Undertrial) বন্দীৰ সংখ্যা কিমান? দীৰ্ঘদিন ধৰি বিচাৰাধীন বন্দীৰ সংখ্যা কিমান ? জিলা হিচাপে তথ্য দিব।

**উত্তৰঃ**

**মাননীয় ন্যায় বিভাগৰ মন্ত্ৰী শ্ৰীযুত সুশান্ত বৰগোঁহাই মহোদয়ে উত্তৰ দিবঃ-**

**(ক)** অসমত বৰ্তমান বিচাৰকৰ,

- মুঠ অনুমোদিত পদ: **৪৮৬টা**
- মুঠ পূৰণ হোৱা পদ: **৪৪৬টা**
- মুঠ খালী পদ: **৪০টা**

জিলাভিত্তিক তথ্য **পৰিশিষ্ট**–ক ত সন্নিবিষ্ট কৰা হৈছে।

কিছুমান আদালত প্ৰয়োজনীয় আন্তঃগাঁথনি (Infrastructure)ৰ অভাৱত বৰ্তমান খালী হৈ আছে। আনহাতে, বাকী থকা খালী পদসমূহ পূৰণ কৰাৰ প্ৰক্ৰিয়া চলি আছে।

**(খ)** ৩১.০৫.২০২৬ তাৰিখলৈকে অসম ৰাজ্যত মুঠ প্ৰায় ৫,৭৫,৫৪১ **টা** বিচাৰাধীন গোচৰ আছে।

| দেৱানী গোচৰ | ফৌজদাৰী গোচৰ |
|---|---|
| ১,১৪,২৯৬ | ৪,৬১,২৪৫ |

**(গ)** অসমৰ নিম্ন আদালতসমূহত বিগত ৫ বছৰত নিষ্পত্তি হোৱা গোচৰৰ সংখ্যা

| | | **২০২১** | **২০২২** | **২০২৩** | **২০২৪** | **২০২৫** |
|---|---|---|---|---|---|---|
| **অসম** | দেৱানী গোচৰ | ৩৫৫৩৬ | ৪৫১৮৪ | ৪৫৫৫৫ | ৫০৪৮৩ | ৫৩৩৪৮ |
| | ফৌজদাৰী গোচৰ | ১৪৬৮১০ | ২২৬১৭৫ | ৩২৭৭২৮ | ২৩৩৩৯৯ | ১৯৫৬৩৬ |

**(ঘ)** বিধান বিভাগৰ পত্ৰ নং E-815775/5, তাৰিখ ২১.০৭.২০২৬ পৰা লাভ কৰা প্ৰতিবেদন অনুসৰি বিগত ৫ বছৰৰ (২০২১–২০২৫) বিনামূলীয়া আইনী সহায় লাভ কৰা হিতাধিকাৰীসকলৰ জিলাভিত্তিক তথ্য **পৰিশিষ্ট–'ঙ'** ত সন্নিবিষ্ট কৰা হৈছে। ।

**(ঙ)** অসমত বৰ্তমান কাৰ্য্যৰত মুঠ **ফাষ্ট ট্ৰেক আদালতৰ** সংখ্যা: **৪০খন (পৰিশিষ্ট–'খ')** ত উল্লেখ কৰা হৈছে।

অসমত মুঠ **বিশেষ আদালত: ৬খন**, যথা—

১. বিশেষ ন্যায়াধীশ, CBI & NIA, কামৰূপ (ম)

২. বিশেষ ন্যায়াধীশ, অতিৰিক্ত CBI আদালত নং–১

৩. বিশেষ ন্যায়াধীশ, অতিৰিক্ত CBI আদালত নং-২
৪. বিশেষ ন্যায়াধীশ, অতিৰিক্ত CBI আদালত নং-৩
৫. বিশেষ ন্যায়াধীশ, গুৱাহাটী, অসম
৬. অতিৰিক্ত বিশেষ ন্যায়াধীশ, গুৱাহাটী, অসম
মুঠ **বাণিজ্যিক আদালত (Commercial Court): শূন্য (NIL)।**

(চ) মহিলা আৰু শিশু উন্নয়ন বিভাগৰ পত্ৰ নং WCDD/124/2026/4, তাৰিখ ১৫.০৭.২০২৬ আৰু গৃহ (ক) বিভাগৰ পত্ৰ নং HMA(AQ)/06/2025/118, তাৰিখ ১৮.০৭.২০২৬ পৰা লাভ কৰা প্ৰতিবেদন অনুসৰি মহিলা আৰু শিশু নিৰ্যাতনৰ গোচৰসমূহৰ দ্ৰুত নিষ্পত্তিৰ বাবে তলত উল্লেখ কৰা ব্যৱস্থাসমূহ গ্ৰহণ কৰিছে-

**মহিলা নিৰ্যাতনৰ ক্ষেত্ৰত:**

১. মহিলা হেল্পলাইন – ১৮১: ২৪X৭ বিনামূলীয়া সেৱা। নিৰ্যাতিত মহিলাৰ জৰুৰীকালীন সুৰক্ষা আৰু সহায় প্ৰদান কৰা হয়।
২. সখী One Stop Centre: সকলো জিলাত স্থাপন কৰা হৈছে। নিৰ্যাতিত মহিলাক আৰক্ষী, চিকিৎসা, মনোসামাজিক আৰু আইনী সহায় একেলগে প্ৰদান কৰা হয়।
৩. বাল্য বিবাহ প্ৰতিৰোধ আইন, ২০০৬: জিলা শিশু সুৰক্ষা বিষয়া আৰু পঞ্চায়ত সচিবক প্ৰতিৰোধী বিষয়া হিচাপে নিযুক্তি দিয়া হৈছে। বাল্যবিবাহৰ তথ্য পালে উদ্ধাৰ কৰি Child Welfare Committee (CWC)ৰ জৰিয়তে সুৰক্ষা দিয়া হয়।
৪. ঘৰুৱা হিংসা প্ৰতিৰোধ আইন, ২০০৫: সকলো জিলাৰ জিলা সমাজ কল্যাণ বিষয়া আৰু CDPO সকলক নিৰাপত্তা বিষয়া হিচাপে নিযুক্তি দিয়া হৈছে। সজাগতা সৃষ্টিৰ লগতে Domestic Incident Report (DIR) ৰ জৰিয়তে গোচৰ নিষ্পত্তিত সহায় কৰা হয়।
৫. কৰ্মক্ষেত্ৰত যৌন নিৰ্যাতন প্ৰতিৰোধ আইন, ২০১৩: SHE-BOX Portal ৰ জৰিয়তে গোপনীয়ভাৱে অভিযোগ দাখিলৰ ব্যৱস্থা আছে। প্ৰতিটো কাৰ্যালয়ত Internal Committee (IC) আৰু প্ৰতিখন জিলাত Local Committee (LC) গঠনৰ ব্যৱস্থা আছে। উক্ত কমিটীৰ জৰিয়তে কৰ্মক্ষেত্ৰত যৌন নিৰ্যাতনৰ গোচৰ নিষ্পত্তিৰ ব্যৱস্থা আছে।
৬. নতুন ফৌজদাৰী আইনত ধৰ্ষণ আৰু মহিলাৰ বিৰুদ্ধে সংঘটিত গুৰুতৰ অপৰাধৰ বাবে মৃত্যুদণ্ডকে ধৰি কঠোৰতম শাস্তিৰ ব্যৱস্থা।

**শিশু নিৰ্যাতনৰ ক্ষেত্ৰত:**

১. শিশুৰ ওপৰত হোৱা যৌন নিৰ্যাতনৰ গোচৰসমূহ POCSO আদালতৰ জৰিয়তে আৰু অন্যান্য নিৰ্যাতনৰ গোচৰসমূহ সংশ্লিষ্ট আদালতত নিষ্পত্তিৰ ব্যৱস্থা আছে।
২. শিশু সম্পৰ্কীয় অনলাইন অপৰাধৰ অভিযোগ দাখিলৰ বাবে Cyber Tipline ব্যৱস্থা প্ৰবৰ্তন।
৩. শিশুবান্ধৱ আৰক্ষী কক্ষ: (Child Friendly Police Centre) বিগত পাঁচ বছৰত ৰাজ্যৰ বিভিন্ন আৰক্ষী থানাত মুঠ ১৪৫টা শিশুবান্ধৱ আৰক্ষী কক্ষ স্থাপন কৰা হৈছে। ইয়াৰ উপৰিও, ভাৰত চৰকাৰৰ মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰালয়ে "মিছন বাৎসল্য" আঁচনিৰ অধীনত অসমৰ অৱশিষ্ট সকলো আৰক্ষী থানাত শিশুবান্ধৱ আৰক্ষী কক্ষ স্থাপনৰ বাবে আৰ্থিক সহায় অনুমোদন কৰিছে।
৪. নিয়মীয়া পৰ্যালোচনা ব্যৱস্থা: শিশু সম্পৰ্কীয় গোচৰৰ অগ্ৰগতি আৰু প্ৰত্যাহ্বানসমূহ জিলা পৰ্যায় আৰু আৰক্ষী মুখ্য কাৰ্যালয়ত অনুষ্ঠিত মাসিক অপৰাধ পৰ্যালোচনা বৈঠকৰ জৰিয়তে প্ৰতিমাহে পৰ্যালোচনা কৰা হয়।
৫. বিশেষায়িত অভিমুখীকৰণ কাৰ্যসূচী: শিশু সুৰক্ষা আইন আৰু নতুন ধৰণৰ অপৰাধ সন্দৰ্ভত অসম আৰক্ষীয়ে বিশেষায়িত অভিমুখীকৰণ কাৰ্যসূচী আয়োজন কৰে। ডিজিটেল প্লেটফৰ্মৰ জৰিয়তে শিশুৰ বিৰুদ্ধে সংঘটিত অপৰাধৰ তদন্ত অধিক দক্ষতাৰে সম্পন্ন কৰাৰ উদ্দেশ্যে WhatsApp-ৰ সহযোগিতাত আৰক্ষী বিষয়াসকলৰ বাবে বিশেষ প্ৰশিক্ষণো অনুষ্ঠিত কৰা হৈছে।
৬. শিশু মিত্ৰ সহায়ক হেল্পলাইন: তদন্তকাৰী বিষয়াসকলক কাৰিকৰী আৰু আইনী পৰামৰ্শ প্ৰদানৰ উদ্দেশ্যে অসম আৰক্ষী মুখ্য কাৰ্যালয়ত ২৪×৭ "শিশু মিত্ৰ" হেল্পলাইন স্থাপন কৰা হৈছে। ২০২৩ চনৰ পৰা এই হেল্পলাইনে ২,০০০ তকৈ অধিক তদন্তকাৰী বিষয়াক ৬,০০০তকৈ অধিক শিশু সম্পৰ্কীয় গোচৰৰ তদন্তত সহায় আগবঢ়াইছে, যাৰ ফলত আইনসম্মত আৰু শিশুকেন্দ্ৰিক তদন্ত নিশ্চিত কৰাত সহায় হৈছে।
৭. বহুপক্ষীয় সমন্বয় বৈঠক: (Multi Stakeholder Dialogues) শিশু সুৰক্ষাৰ ক্ষেত্ৰত প্ৰণালীগত সমস্যাসমূহ সমাধান আৰু বিভাগসমূহৰ মাজত অধিক সমন্বয় সুদৃঢ় কৰাৰ উদ্দেশ্যে অসম আৰক্ষীয়ে নিয়মীয়াকৈ "শিশু মিত্ৰ" বহুপক্ষীয় সমন্বয় বৈঠকৰ (Multi Stakeholder Dialogues) আয়োজন কৰে, য'ত সংশ্লিষ্ট বিভিন্ন বিভাগৰ বিষয়াসকলে অংশগ্ৰহণ কৰে।

(ছ) অসমৰ সকলো আদালতে e-Courts Project ৰূপায়ণ কৰা হৈছে।

(জ)

| বৰ্ষ | National Lok Adalat (ৰাষ্ট্ৰীয় লোক আদালত) | Special Lok Adalat (বিশেষ লোক আদালত) | State Lok Adalat (ৰাজ্যিক লোক আদালত) |
|---|---|---|---|
| | নিষ্পত্তি হোৱা গোচৰৰ সংখ্যা | নিষ্পত্তি হোৱা গোচৰৰ সংখ্যা | নিষ্পত্তি হোৱা গোচৰৰ সংখ্যা |
| ২০২১ | ৩৮২২৫ | NA | NA |
| ২০২২ | ১১৪০৬৮ | NA | NA |
| ২০২৩ | ১২১৮৪৮ | ৪৩ | NA |
| ২০২৪ | ১৮৫৫৬৪ | NA | NA |
| ২০২৫ | ১১১৪৭৮ | NA | NA |
| মুঠ | **৫,৭১,১৮৩** | ৪৩ | ০ |

অৰ্থাৎ, বিগত পাঁচ বছৰত—

- **ৰাষ্ট্ৰীয় লোক আদালতৰ জৰিয়তে মুঠ ৫,৭১,১৮৩ টা গোচৰ** নিষ্পত্তি কৰা হৈছে।
- **বিশেষ লোক আদালতৰ জৰিয়তে মুঠ ৪৩ টা গোচৰ** নিষ্পত্তি কৰা হৈছে।
- **সৰ্বমুঠ নিষ্পত্তি হোৱা গোচৰৰ সংখ্যা: ৫,৭১,২২৬ টা।**

(ঝ) **গৃহ** (খ) **বিভাগৰ পত্ৰ নং** HMB.815805/8, **তাৰিখ ১৫.০৭.২০২৬ যোগে প্ৰাপ্ত প্ৰতিবেদন অনুসৰি,** অসমত সৰ্বমুঠ আণ্ডাৰট্ৰায়েল (Undertrial) বন্দীৰ সংখ্যা হল -**৭৯০৪ (১৩-০৭-২০২৬ তাৰিখ লৈকে)**। এই সন্দৰ্ভত জিলাভিত্তিক তথ্য **পৰিশিষ্ট–গ** ত সংলগ্ন কৰা হ'ল ।

একেদৰে, উক্ত প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি, দীৰ্ঘদিন ধৰি বিচাৰাধীন বন্দীৰ সংখ্যা হল-**১,০৪৯ (১৩-০৭-২০২৬ তাৰিখ লৈকে)** এই সন্দৰ্ভত জিলাভিত্তিক তথ্য **পৰিশিষ্ট "ঘ"** ত সংলগ্ন কৰা হ'ল ।

(ওপৰোক্ত উত্তৰৰ প্ৰতিলিপি **পৰিশিষ্ট "ক","খ","গ","ঘ" আৰু "ঙ" ৰ** সৈতে অসম বিধান সভাৰ ৱেবচাইট https://cms.neva.gov.in ত আপলোড কৰা হ'ল)।

*************

পৰিশিষ্ট - 'ক'

| ASSAM | | | | |
|---|---|---|---|---|
| Sr no. | District | No. of Judges as on 15.07.2026 | | |
| | | Sanctioned | In position | Vacant |
| 1 | BAJALI | 7 | 6 | 1 |
| 2 | BAKSA | 10 | 10 | 0 |
| 3 | BARPETA | 16 | 15 | 1 |
| 4 | BISWANATH | 10 | 9 | 1 |
| 5 | BONGAIGAON | 10 | 10 | 0 |
| 6 | CACHAR | 26 | 21 | 5 |
| 7 | CHARAIDEO | 9 | 6 | 3 |
| 8 | CHIRANG | 13 | 12 | 1 |
| 9 | DARRANG | 12 | 11 | 1 |
| 10 | DHEMAJI | 9 | 8 | 1 |
| 11 | DHUBRI | 20 | 19 | 1 |
| 12 | DIBRUGARH | 19 | 19 | 0 |
| 13 | DIMA HASAO | 10 | 9 | 1 |
| 14 | GOALPARA | 11 | 9 | 2 |
| 15 | GOLAGHAT | 16 | 14 | 2 |
| 16 | HAILAKANDI | 9 | 9 | 0 |
| 17 | HOJAI | 11 | 9 | 2 |
| 18 | JORHAT | 14 | 14 | 0 |
| 19 | KAMRUP METRO | 70 | 66 | 4 |
| 20 | KAMRUP RURAL | 16 | 16 | 0 |
| 21 | KARBI ANGLONG | 11 | 10 | 1 |
| 22 | KOKRAJHAR | 10 | 10 | 0 |
| 23 | Lakhimpur | 13 | 12 | 1 |
| 24 | Majuli | 7 | 5 | 2 |
| 25 | Morigaon | 11 | 11 | 0 |
| 26 | Nagaon | 19 | 17 | 2 |
| 27 | Nalbari | 14 | 13 | 1 |
| 28 | Shribhumi | 12 | 10 | 2 |
| 29 | Sivsagar | 14 | 12 | 2 |
| 30 | Sonitpur | 15 | 15 | 0 |
| 31 | South Salmara | 8 | 6 | 2 |
| 32 | Tinsukia | 17 | 17 | 0 |
| 33 | Udalguri | 10 | 10 | 0 |
| 34 | West Karbi Anglong | 7 | 6 | 1 |
| | Total | 486 | 446 | 40 |



File No. JDJ/182/2026-ESTT-JUDI-Judicial Department (Computer No. 815186)
Generated from eOffice by SANJIB BARMAN, JUD-JR.AA(SB), JR. ADMINISTRATIVE ASSISTANT, Judicial Department on 19/07/2026 06:23 PM

ঘ) **District wise number of beneficiaries availing free legal aid for five years 2021-2025**

| Sl.No | Name of District | Year | No of beneficiary |
|---|---|---|---|
| 1 | Baksa | 2021 | 47 |
| | | 2022 | 117 |
| | | 2023 | 306 |
| | | 2024 | 2804 |
| | | 2025 | 438 |
| 2 | Barpeta | 2021 | 87 |
| | | 2022 | 88 |
| | | 2023 | 276 |
| | | 2024 | 326 |
| | | 2025 | 634 |
| 3 | Biswanath | 2021 | 14826 |
| | | 2022 | 593 |
| | | 2023 | 12845 |
| | | 2024 | 13924 |
| | | 2025 | 7253 |
| 4 | Bongaigaon | 2021 | 477 |
| | | 2022 | 658 |
| | | 2023 | 927 |
| | | 2024 | 874 |
| | | 2025 | 1058 |
| 5 | Cachar | 2021 | 512 |
| | | 2022 | 405 |
| | | 2023 | 395 |
| | | 2024 | 599 |
| | | 2025 | 1311 |
| 6 | Charaideo | 2021 | 6571 |
| | | 2022 | 2292 |
| | | 2023 | 521 |
| | | 2024 | 935 |

| | | | |
|---|---|---|---|
| | | 2025 | 928 |
| 7 | Chirang | 2021 | 89 |
| | | 2022 | 90 |
| | | 2023 | 72 |
| | | 2024 | 54 |
| | | 2025 | 258 |
| 8 | Darrang | 2021 | 94 |
| | | 2022 | 90 |
| | | 2023 | 895 |
| | | 2024 | 3122 |
| | | 2025 | 6669 |
| 9 | Dhemaji | 2021 | 220 |
| | | 2022 | 131 |
| | | 2023 | 147 |
| | | 2024 | 368 |
| | | 2025 | 420 |
| 10 | Dhubri | 2021 | 99 |
| | | 2022 | 87 |
| | | 2023 | 126 |
| | | 2024 | 320 |
| | | 2025 | 575 |
| 11 | Dibrugarh | 2021 | 1391 |
| | | 2022 | 1380 |
| | | 2023 | 2531 |
| | | 2024 | 3244 |
| | | 2025 | 3039 |
| 12 | Dima Hasao | 2021 | 62 |
| | | 2022 | 53 |
| | | 2023 | 48 |
| | | 2024 | 158 |
| | | 2025 | 140 |
| 13 | Goalpara | 2021 | 141 |

| | | | |
|---|---|---|---|
| | | 2022 | 111 |
| | | 2023 | 200 |
| | | 2024 | 312 |
| | | 2025 | 250 |
| 14 | Golaghat | 2021 | 1023 |
| | | 2022 | 1058 |
| | | 2023 | 796 |
| | | 2024 | 1731 |
| | | 2025 | 3307 |
| 15 | Hailakandi | 2021 | 231 |
| | | 2022 | 123 |
| | | 2023 | 114 |
| | | 2024 | 231 |
| | | 2025 | 929 |
| 16 | Hojai | 2021 | 53 |
| | | 2022 | 174 |
| | | 2023 | 415 |
| | | 2024 | 454 |
| | | 2025 | 719 |
| 17 | Jorhat | 2021 | 122 |
| | | 2022 | 450 |
| | | 2023 | 952 |
| | | 2024 | 637 |
| | | 2025 | 1032 |
| 18 | Kamrup M | 2021 | 743 |
| | | 2022 | 2057 |
| | | 2023 | 2736 |
| | | 2024 | 2042 |
| | | 2025 | 2044 |
| 19 | Kamrup Amingaon | 2021 | 150 |
| | | 2022 | 332 |
| | | 2023 | 258 |

| | | | |
|---|---|---|---|
| | | 2024 | 355 |
| | | 2025 | 337 |
| 20 | Karbi Anglong | 2021 | 72 |
| | | 2022 | 80 |
| | | 2023 | 192 |
| | | 2024 | 185 |
| | | 2025 | 244 |
| 21 | Karimganj | 2021 | 285 |
| | | 2022 | 684 |
| | | 2023 | 168 |
| | | 2024 | 222 |
| | | 2025 | 256 |
| 22 | Kokrajhar | 2021 | 765 |
| | | 2022 | 610 |
| | | 2023 | 750 |
| | | 2024 | 776 |
| | | 2025 | 898 |
| 23 | Lakhimpur | 2021 | 9940 |
| | | 2022 | 8757 |
| | | 2023 | 6881 |
| | | 2024 | 5539 |
| | | 2025 | 2318 |
| 24 | Majuli | 2021 | 47 |
| | | 2022 | 68 |
| | | 2023 | 115 |
| | | 2024 | 143 |
| | | 2025 | 132 |
| 25 | Morigaon | 2021 | 159 |
| | | 2022 | 176 |
| | | 2023 | 160 |
| | | 2024 | 368 |

| | | | |
|---|---|---|---|
| | | 2025 | 581 |
| 26 | Nagaon | 2021 | 192 |
| | | 2022 | 264 |
| | | 2023 | 975 |
| | | 2024 | 926 |
| | | 2025 | 1469 |
| 27 | Nalbari | 2021 | 2259 |
| | | 2022 | 3614 |
| | | 2023 | 479 |
| | | 2024 | 502 |
| | | 2025 | 451 |
| 28 | Sivasagar | 2021 | 180 |
| | | 2022 | 595 |
| | | 2023 | 332 |
| | | 2024 | 464 |
| | | 2025 | 1584 |
| 29 | Sonitpur | 2021 | 538 |
| | | 2022 | 894 |
| | | 2023 | 1548 |
| | | 2024 | 2164 |
| | | 2025 | 20402 |
| 30 | South Salmara | 2021 | 1292 |
| | | 2022 | 676 |
| | | 2023 | 85 |
| | | 2024 | 2449 |
| | | 2025 | 5908 |
| 31 | Tinsukia | 2021 | 201 |
| | | 2022 | 262 |
| | | 2023 | 2706 |
| | | 2024 | 5032 |
| | | 2025 | 5123 |
| | | | |

**পৰিশিষ্ট–'ঙ'**

| | | | |
|---|---|---|---|
| 32 | Udalguri | 2021 | 57680 |
| | | 2022 | 16038 |
| | | 2023 | 11522 |
| | | 2024 | 14600 |
| | | 2025 | 22520 |
| 33 | West Karbi Anglong | 2021 | 4 |
| | | 2022 | 7 |
| | | 2023 | 8 |
| | | 2024 | 7 |
| | | 2025 | 73 |

পৰিশিষ্ট - 'খ'

**Designated Fast Track Courts in Assam**

| Sl. No. | Name of District | Designated Fast Track Courts to deal with Cases u/s 376 IPC | Designated Fast Track Courts to deal with Cases under Wildlife(Protection) Act, 1972 | Designated Courts to try Cases of Rape/Murder/Rape & Murder of Women & Children |
|---|---|---|---|---|
| 1. | Kamrup (M) | Addl. District & Sessions Judge No. | - | Addl. Sessions Judge No.2 |
| 2. | Kamrup, Amingaon | - | - | Addl. Sessions Judge |
| 3. | Nagaon | Addl. District & Sessions Judge No. | Addl. Sessions Judge | Addl. Sessions Judge No.2 |
| 4. | Morigaon | - | - | **Sessions Judge** |
| 5. | Golaghat | - | Addl. Sessions Judge | Addl. Sessions Judge |
| 6. | Jorhat | - | Addl. Sessions Judge | Addl. Sessions Judge |
| 7. | Sivasagar | - | - | Addl. Sessions Judge |
| 8. | Dibrugarh | - | Addl. Sessions Judge | Addl. Sessions Judge No.2 |
| 9. | Tinsukia | - | Addl. Sessions Judge | Addl. Sessions Judge |
| 10. | Dhemaji | - | - | **Sessions Judge** |
| 11. | Lakhimpur | - | - | Addl. Sessions Judge |
| 12. | Sonitpur | - | Addl. Sessions Judge | Addl. Sessions Judge No.2 |
| 13. | Darrang | - | Addl. Sessions Judge | Addl. Sessions Judge |
| 14. | Udalguri | - | Addl. Sessions Judge | Addl. Sessions Judge |
| 15. | Bongaigaon | - | - | **Sessions Judge** |
| 16. | Barpeta | - | Addl. Sessions Judge | Addl. Sessions Judge |
| 17. | Nalbari | - | - | **Sessions Judge** |
| 18. | Dhubri | Addl. District & Sessions Judge No. | - | |
| 19. | Goalpara | - | - | Addl. Sessions Judge |
| 20. | Baksa | - | - | **Sessions Judge** |
| 21. | Hailakandi | - | - | **Sessions Judge** |
| 22. | Karimganj | - | - | Addl. Sessions Judge |
| 23. | Cachar, | - | Addl. Sessions Judge | Addl. Sessions Judge |
| 24. | Chirang | - | Addl. Sessions Judge, Bijni | **Sessions Judge** |
| 25. | Dima Hasao | - | - | **Sessions Judge** |
| 26. | Karbi Anglong | - | - | Addl. Sessions Judge |
| 27. | Kokrajhar | - | - | Addl. Sessions Judge |
| 28. | Hojai | - | - | |
| 29. | Charaideo, Sonari | - | - | |
| | **TOTAL** | 03 | 11 | 26 |

*** At present, no Permanent Fast Track Courts are functioning in the State of Assam.**



File No. JDJ/182/2026-ESTT-JUDI-Judicial Department (Computer No. 815186)
Generated from eOffice by SANJIB BARMAN, JUD-JR.AA(SB), JR. ADMINISTRATIVE ASSISTANT, Judicial Department on 19/07/2026 06:23 PM

পৰিশিষ্ট - 'ঘ'

(ঝ) অসমত আণ্ডাৰট্ৰায়েল (Undertrial) বন্দীৰ সংখ্যা কিমান? দীৰ্ঘদিন ধৰি বিচাৰাধীন বন্দীৰ সংখ্যা কিমান? জিলা হিচাপে তথ্য দিব।

উত্তৰঃ- অসমত সৰ্বমুঠ আণ্ডাৰট্ৰায়েল (Undertrial) বন্দীৰ সংখ্যা হল -**১৯০৪ (১৩-০৭-২০২৬ তাৰিখ লৈকে)** ।

**অসমত সৰ্বমুঠ আণ্ডাৰট্ৰায়েল (Undertrial) বন্দীৰ সংখ্যা জিলা হিচাপে তথ্য**
(১৩-০৭-২০২৬ তাৰিখ লৈকে)

| ক্ৰমিকনং | কাৰাগাৰ ৰনাম | আণ্ডাৰট্ৰায়েল | | |
|---|---|---|---|---|
| | | পুৰুষ | মহিলা | সৰ্বমুঠ |
| ১ | কেন্দ্ৰীয়কাৰাগাৰ, গুৱাহাটী | ১২৯৫ | ৯১ | ১৩৮৬ |
| ২ | কেন্দ্ৰীয়কাৰাগাৰ, তেজপুৰ | ৩৫৩ | ১২ | ৩৬৫ |
| ৩ | কেন্দ্ৰীয়কাৰাগাৰ, শিলচৰ | ৩৫০ | ২৮ | ৩৭৮ |
| ৪ | কেন্দ্ৰীয়কাৰাগাৰ, ডিব্ৰুগড় | ৪২৯ | ১৭ | ৪৪৬ |
| ৫ | কেন্দ্ৰীয়কাৰাগাৰ, যোৰহাট | ২৭২ | ১৩ | ২৮৫ |
| ৬ | কেন্দ্ৰীয়কাৰাগাৰ, নগাঁও | ৩৩৬ | ১২ | ৩৪৮ |
| ৭ | জিলাকাৰাগাৰ, নলবাৰী | ২৮২ | ৯ | ২৯১ |
| ৮ | জিলাকাৰাগাৰ, বৰপেটা | ৩২০ | ৪ | ৩২৪ |
| ৯ | জিলাকাৰাগাৰ, কোকৰাঝাৰ | ১৯৩ | ৪ | ১৯৭ |
| ১০ | জিলাকাৰাগাৰ, ধুবুৰী | ২৬০ | ৪ | ২৬৪ |
| ১১ | জিলাকাৰাগাৰ, গোৱালপাৰা | ১৭২ | ৮ | ১৮০ |
| ১২ | জিলাকাৰাগাৰ, মঙলদৈ | ১১২ | ১ | ১১৩ |
| ১৩ | জিলাকাৰাগাৰ, হাইলাকান্দি | ৯৮ | ২ | ১০০ |
| ১৪ | জিলাকাৰাগাৰ, শ্ৰীভূমি | ৩৫৮ | ১৩ | ৩৭১ |
| ১৫ | জিলাকাৰাগাৰ, উত্তৰলখিমপুৰ | ৩৩৯ | ১২ | ৩৫১ |
| ১৬ | জিলাকাৰাগাৰ, শিৱসাগৰ | ৩৬৬ | ১২ | ৩৭৮ |
| ১৭ | জিলাকাৰাগাৰ, গোলাঘাট | ১৫০ | ৭ | ১৫৭ |
| ১৮ | জিলাকাৰাগাৰ, মাজুলী | ৩৩ | ১ | ৩৪ |
| ১৯ | জিলাকাৰাগাৰ, অভয়াপুৰী | ১৬৪ | ৬ | ১৭০ |
| ২০ | জিলাকাৰাগাৰ, ডিফু | ২১৪ | ১১ | ২২৫ |
| ২১ | জিলাকাৰাগাৰ, হামৰেণ | ২৮ | ৪ | ৩২ |
| ২২ | জিলাকাৰাগাৰ, বিশ্বনাথচাৰিআলি | ২০৫ | ৮ | ২১৩ |
| ২৩ | জিলাকাৰাগাৰ, ধেমাজী | ৮৫ | ৫ | ৯০ |
| ২৪ | জিলাকাৰাগাৰ, মৰিগাঁও | ১৪৪ | ১৩ | ১৫৭ |
| ২৫ | জিলাকাৰাগাৰ, সোণাৰী | ৪ | ০ | ৪ |
| ২৬ | জিলাকাৰাগাৰ, তিনিচুকীয়া | ৪৭৪ | ১০ | ৪৮৪ |
| ২৭ | জিলাকাৰাগাৰ, শদিয়া | ২৪ | ০ | ২৪ |
| ২৮ | জিলাকাৰাগাৰ, বাক্সা | ৫ | ০ | ৫ |
| ২৯ | জিলাকাৰাগাৰ, চিৰাং | ০ | ০ | ০ |
| ৩০ | জিলাকাৰাগাৰ, ওদালগুৰি | ১৩৭ | ৩ | ১৪০ |
| ৩১ | বিশেষকাৰাগাৰ, নগাঁও | ৩৬৩ | ১৩ | ৩৭৬ |
| ৩২ | মুক্তআকাশকাৰাগাৰ, যোৰহাট | ০ | ০ | ০ |
| ৩৩ | **উপকাৰাগাৰ–, হাফলং** | ১৫ | ১ | ১৬ |
| **সৰ্বমুঠ** | | **১৫৮০** | **৩২৪** | **১৯০৪** |

দীৰ্ঘদিন ধৰি বিচাৰাধীন বন্দীৰ সংখ্যা হল-১,০৪৯ (১৩-০৭-২০২৬ তাৰিখ লৈকে)।

পৰিশিষ্ট-'ঘ'

## জিলা হিচাপে তথ্য

| ক্ৰমিকনং | কাৰাগাৰৰ নাম | আণ্ডাৰট্ৰায়েল | | |
|---|---|---|---|---|
| | | পুৰুষ | মহিলা | সৰ্বমুঠ |
| ১ | কেন্দ্ৰীয়কাৰাগাৰ, গুৱাহাটী | ১৭৫ | ১২ | ১৮৭ |
| ২ | কেন্দ্ৰীয়কাৰাগাৰ, তেজপুৰ | ৪৪ | ০০ | ৪৪ |
| ৩ | কেন্দ্ৰীয়কাৰাগাৰ, শিলচৰ | ৫৩ | ৪ | ৫৭ |
| ৪ | কেন্দ্ৰীয়কাৰাগাৰ, ডিব্ৰুগড় | ১১১ | ০৬ | ১১৭ |
| ৫ | কেন্দ্ৰীয়কাৰাগাৰ, যোৰহাট | ৪১ | ০০ | ৪১ |
| ৬ | কেন্দ্ৰীয়কাৰাগাৰ, নগাঁও | ১৩ | ০ | ১৩ |
| ৭ | জিলাকাৰাগাৰ, নলবাৰী | ৪২ | ২ | ৪৪ |
| ৮ | জিলাকাৰাগাৰ, বৰপেটা | ১৮ | ০ | ১৮ |
| ৯ | জিলাকাৰাগাৰ, কোকৰাঝাৰ | ১১ | ০ | ১১ |
| ১০ | জিলাকাৰাগাৰ, ধুবুৰী | ১৪ | ১ | ১৫ |
| ১১ | জিলাকাৰাগাৰ, গোৱালপাৰা | ১০ | ১ | ১১ |
| ১২ | জিলাকাৰাগাৰ, মঙলদৈ | ০৫ | ০০ | ৫ |
| ১৩ | জিলাকাৰাগাৰ, হাইলাকান্দি | ৩ | ০ | ৩ |
| ১৪ | জিলাকাৰাগাৰ, শ্ৰীভূমি | ৫৬ | ৩ | ৫৯ |
| ১৫ | জিলাকাৰাগাৰ, উত্তৰলখিমপুৰ | ৩৯ | ০০ | ৩৯ |
| ১৬ | জিলাকাৰাগাৰ, শিৱসাগৰ | ৬৪ | ২ | ৬৬ |
| ১৭ | জিলাকাৰাগাৰ, গোলাঘাট | ১১ | ১ | ১২ |
| ১৮ | জিলাকাৰাগাৰ, মাজুলী | ০ | ০ | ০ |
| ১৯ | জিলাকাৰাগাৰ, অভয়াপুৰী | ২৪ | ১ | ২৫ |
| ২০ | জিলাকাৰাগাৰ, ডিফু | ৫৫ | ০০ | ৫৫ |
| ২১ | জিলাকাৰাগাৰ, হামৰেণ | ০৯ | ০০ | ০৯ |
| ২২ | জিলাকাৰাগাৰ, বিশ্বনাথচাৰিআলি | ৫২ | ০ | ৫২ |
| ২৩ | জিলাকাৰাগাৰ, ধেমাজী | ১৯ | ০ | ১৯ |
| ২৪ | জিলাকাৰাগাৰ, মৰিগাঁও | ১০ | ০ | ১০ |
| ২৫ | জিলাকাৰাগাৰ, সোণাৰী | ০ | ০ | ০ |
| ২৬ | জিলাকাৰাগাৰ, তিনিচুকীয়া | ৮৭ | ১ | ৮৮ |
| ২৭ | জিলাকাৰাগাৰ, শদিয়া | ১ | ০০ | ১ |
| ২৮ | জিলাকাৰাগাৰ, বাক্সা | ০ | ০ | ০ |
| ২৯ | জিলাকাৰাগাৰ, চিৰাং | ০ | ০ | ০ |
| ৩০ | জিলাকাৰাগাৰ, ওদালগুৰি | ১৩ | ২ | ১৫ |
| ৩১ | বিশেষকাৰাগাৰ, নগাঁও | ২৪ | ১ | ২৫ |
| ৩২ | মুক্তআকাশকাৰাগাৰ, যোৰহাট | ০ | ০ | ০ |
| ৩৩ | উপকাৰাগাৰ-, হাফলং | ৮ | ০ | ৮ |
| সৰ্বমুঠ | | ১০১২ | ৩৭ | ১০৪৯ |